অসম

ভূমি পট্টা, জনজাতিকৰণ আৰু মজুৰি বৃদ্ধিৰ দাবীত বিহালীত চাহ জনগোষ্ঠীৰ তিনি ঘণ্টীয়া ধৰ্ণা

ভূমিৰ পট্টা, জনজাতিকৰণ আৰু দৈনিক মজুৰি বৃদ্ধিৰ দাবীত বিহালীত অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু মহিলা সমিতিয়ে তিনি ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। শতাধিক প্ৰতিবাদকাৰীয়ে অংশগ্ৰহণ কৰি চৰকাৰৰ বিৰুদ্ধে শ্লোগান দিয়ে আৰু সমজিলা আয়ুক্তৰ জৰিয়তে চৰকাৰলৈ স্মাৰক-পত্ৰ প্ৰদান কৰে।

প্ৰকাশ: ১২ নৱেম্বৰ ২০২৬, নিশা ৮:৪০



Behali AATAS protest (NewzNow)

বিহালী, ১৩ নৱেম্বৰ: ভূমিৰ অধিকাৰ, জনজাতিকৰণ আৰু দৈনিক মজুৰি বৃদ্ধিৰ দাবীত আজি বিহালীত তিনি ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাই। সংগঠনটোৰ বিহালী শাখা সমিতিৰ উদ্যোগত আৰু অসম চাহ জনজাতি মহিলা সমিতিৰ সহযোগত বিহালী সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত এই প্ৰতিবাদী

কার্যসূচী অনুষ্ঠিত হয়।

পুৱাৰে পৰা আৰম্ভ হোৱা ধৰ্ণাত শতাধিক ছাত্ৰ-ছাত্ৰী আৰু মহিলাই অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে বিভিন্ন দাবী সম্বলিত প্লেকার্ড লৈ চৰকাৰবিৰোধী শ্লোগানেৰে সমজিলা কার্যালয় চৌহদ উত্তাল কৰি তোলে।

ধৰ্ণা কার্যসূচীৰ জৰিয়তে প্ৰতিবাদকাৰীসকলে চৰকাৰৰ ওচৰত তিনিটা মূল দাবী উত্থাপন কৰে। দাবীকেইটা হৈছে—প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি চাহ বাগিচাত কাম কৰি অহা শ্ৰমিকসকলক ভূমিৰ পট্টা প্ৰদান, চাহ জনগোষ্ঠীক জনজাতিৰ মর্যাদা প্ৰদান আৰু বর্ধিত বজাৰ মূল্যৰ সৈতে সংগতি ৰাখি চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধি।

প্ৰতিবাদকাৰীসকলে “চাহ শ্ৰমিক জিন্দাবাদ”, “অসম চৰকাৰ হায় হায়”, “বিজেপি চৰকাৰ গ’ বেক” আৰু “শ্ৰম মন্ত্ৰী হায় হায়” আদি শ্লোগান দি চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে।

এই সন্দর্ভত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ বিহালী শাখাৰ সম্পাদকে কয় যে বছৰ বছৰ ধৰি সংগঠনটোৱে উত্থাপন কৰি অহা দাবীসমূহ চৰকাৰে আওকাণ কৰি আহিছে। অতি সোনকালে দাবীসমূহ পূৰণ নকৰিলে ভৱিষ্যতে অধিক বৃহৎ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ’ব বুলিও তেওঁ সকীয়াই দিয়ে।

আনহাতে, অসম চাহ জনজাতি মহিলা সমিতিৰ এগৰাকী নেত্ৰীয়ে কয় যে চাহ শ্ৰমিক মহিলাসকলে আজিও ন্যায্য মজুৰি আৰু মৌলিক সুবিধাৰ পৰা বঞ্চিত হৈ আছে। তেওঁ শ্ৰমিকসকলৰ সমস্যাসমূহৰ প্ৰতি চৰকাৰে গুৰুত্ব দিয়াৰ আহ্বান জনায়।

উল্লেখযোগ্য যে, তিনি ঘণ্টীয়া ধৰ্ণা কার্যসূচীৰ অন্তত প্ৰতিবাদকাৰীসকলে বিহালী সমজিলা আয়ুক্তৰ জৰিয়তে অসম চৰকাৰলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2534/bhumi-potta-jonojatikoron-aru-mojuri-briddhir-dabit-bihalit-sah-jonogosthir-tini